কিতাপখনৰ কথা বাদেই, ড° গোস্বামীয়ে কোনো গ্ৰন্থকেই সম্পূৰ্ণকৈ নপঢ়ে। সেয়ে তেখেতৰ Conception (ধাৰণা) পৰিষ্কাৰ নহয়। সেই কথা তেখেতৰ মন্তব্যবোৰত স্পষ্ট। তেখেতে লিখিছে—"প্ৰাকৃত মানে সংস্কৃতৰ বিকৃতি।" কথা হ'ল, সংস্কৃতৰ বিকৃতি কোনে কৰিছিল? এই দিশত সন্ধান কৰিলে দেখা যায়, অনাৰ্যসকলৰ নিজা ভাষা আছিল; দাস আৰু শূদ্ৰসকলৰ বাবে সংস্কৃত শিকাত অনেক বাধা আছিল। অৰ্থাৎ সংস্কৃত আৰু জ্ঞান চৰ্চা নিৰ্দিষ্ট আৰ্য (জ্ঞানী) লোকসকলৰ হাতত আছিল। ইয়াত প্ৰশ্ন হয়, আৰ্যসকলে নিজৰ সুন্দৰ ভাষাটো কিয় বিকৃত কৰিব? আৰু যদি ধৰা হয় যে, অনাৰ্য, দাস আৰু শূদ্ৰসকলে সংস্কৃত ভাষা বিকৃত কৰিছিল; তেনেহ'লে প্ৰমাণ হয়, সংস্কৃতৰ ওপৰত আৰ্যসকলৰ নিয়ন্ত্ৰণ নাছিল। বাস্তৱ কথাটো হ'ল, সংস্কৃত আৰ্যসকলৰ নিয়ন্ত্ৰণত আছিল আৰু আৰ্যসকলেই সংস্কৃত ভাষা বিকৃত কৰিছিল। কাৰণ যাৰ নিয়ন্ত্ৰণত থাকে তেওঁহে সুন্দৰ বা বিকৃত কৰিব পাৰে। সেয়ে সংস্কৃত বিকৃত কৰাসকল আৰ্য, কিন্তু নিতান্তই জ্ঞানহীন। ড° গোস্বামীৰ আৰ্যসকল লাহে লাহে জ্ঞানহীন হৈ পৰিছিল। কাৰণ সংস্কৃত বিকৃত হৈ পালি ভাষাৰ জন্ম হৈছিল বুলি কৈ ড° গোস্বামীয়ে তাকেই সাব্যস্ত কৰিছে। হয়, জন্মগতভাৱে মানুহক জ্ঞানী বুলি ধৰিলে সংস্কৃত বিকৃত হ'ব পাৰে।

ড° গোস্বামীয়ে কৈছে—"পালি সংস্কৃতৰ পৰা উদ্ভৱ হোৱা এটা কথিত ভাষা।" কিন্তু প্ৰকৃত কথাটো হ'ল, অনাৰ্য, দাস আৰু শূদ্ৰসকলৰ নিজা কথিত ভাষা আছিল। স্বজাতিৰ মাজত কথা পাতিবলৈ তেওঁলোকক আন ভাষাৰ প্ৰয়োজন নাছিল। এটা জাতিৰ মানুহে আনটো জাতিৰ লগত, মানে আন্তঃজাতিৰ মাজত কথোপকথন হ'লে তেওঁলোকৰ ভাষাৰ উপাদানেৰে সংযোগী কথিত ভাষাৰ জন্ম হ'ব। ব্যাকৰণৰ কঠোৰ নিয়মৰ মাজত আবদ্ধ সংস্কৃত ভাষাৰ পৰা কথিত ভাষা নজন্মে। সৰ্বোপৰি জ্ঞানীৰ লগত কথা পাতিবলৈ জ্ঞানী নহ'লেও হয়। জ্ঞানীসকল শিক্ষিত সেয়ে প্ৰচলিত ভাষাটোৰ পৰিষ্কাৰ বা মাৰ্জিত বা সংস্কৃত ৰূপটো ব্যৱহাৰ কৰে। জ্ঞানীৰ লগত সাধাৰণ মানুহে কথা পাতিলে ভাষা বিকৃত নহয়। ইয়াতো ড° গোস্বামীৰ Conception (ধাৰণা) বিভ্ৰাট স্পষ্ট।

ড° গোস্বামীয়ে কৈছে—"সংস্কৃত(অ) মানে মাৰ্জিত, শোধিত, সজ্জিত। এই কামটো পাণিনিয়ে কৰিলে।" মন কৰিবলগীয়া কথা হ'ল, যদি পাণিনিয়ে ভাষাটোক সংস্কৃত কৰিছিল, তেনেহ'লে নিশ্চিত, সংস্কৃত ভাষাটো বিকৃত ভাষাৰ পৰা জন্মিছে। কাৰণ বিকৃত ভাষাকহে সংস্কৃত(অ)/মাৰ্জিত/শোধিত/সজ্জিত কৰাৰ প্ৰসংগ আহে। প্ৰথমে যদি সংস্কৃতেই আছিল তেনেহলে পাণিনিয়ে কিয় সংস্কৃত কৰিব? এয়া হ'ল ড° গোস্বামীৰ স্ববিৰোধ। সমালোচনাটোত ড° গোস্বামীয়ে আৰ্য শব্দটোক বিশেষ্য বুলি কৈছে নে বিশেষণ বুলি কৈছে সেইটো নিজেই বুজা নাই। পাণিনিৰ মতে আৰ্য শব্দটোৰ অৰ্থ জাতি নহয়, ড° গোস্বামীয়ে কিন্তু বুজাব খুজিছে আৰ্য এটা জাতি। আৰ্য এটা জাতি হ'বলৈ Respectable, honourable এই শব্দকেইটা বিশেষ্য হ'ব লাগিব। দুখৰ বিষয় এই শব্দকেইটা বিশেষণহে। ড° গোস্বামীৰ ধাৰণা 'সংস্কৃত' শব্দটোৰ ক্ষেত্ৰতো একে। পাণিনিয়ে বিশেষণ বুজালে, ড° গোস্বামীয়েও লেখাটোৰ জৰিয়তে মোক বিশেষণ বুলিয়েই বুজাইছে। কিন্তু আৰ্যক জাতি বুলি কৈ বিশেষণক যে বিশেষ্য বুলি কৈ আছে সেইটো ড° গোস্বামীয়ে বুজা নাই।

সংস্কৃত ভাষাৰ তত্ত্বগধুৰ বিশ্লেষণেৰে, সমালোচনাৰে লিপিৰ গ্ৰন্থ নস্যাৎ কৰি ড° গোস্বামীয়ে কৈছে—"পাণিনিৰ আন এটা নাম শলাতুৰীয় আৰু সময় খ্ৰিষ্টপূৰ্ব ৩৫০ বুলি অনুমান কৰা হয়।" আচৰিত কথা, প্ৰায় ২৪০০ বছৰ পূৰ্বে পাণিনিয়ে বিশেষণ বুলি সূত্ৰবদ্ধ কৰা শব্দটো, ড° গোস্বামীয়ে বিশেষ্য বুলি কৈছে। যদি "ভাৰতবৰ্ষলৈ আৰ্যসকলৰ আগমন খ্ৰিষ্টপূৰ্ব ১৫০০", তেনেহ'লে খ্ৰিষ্টপূৰ্ব ৩৫০ৰ পাণিনিয়ে আৰ্যটো জাতিবাচক বিশেষ্য বুলি নিশ্চয় ক'লেহেঁতেন। ড° গোস্বামীয়ে আৰ্য জাতি আৰু আৰ্য জাতিৰ সংস্কৃত ভাষাৰ সিদ্ধান্তটো প্ৰত্নতাত্ত্বিক, নৃতাত্ত্বিক বা DNAৰ তথ্য পৰীক্ষা কৰিবৰ বাবে দাঙি ধৰক। মই জানো তেখেতে আৰ্য জাতিৰ বিষয়েও সম্পূৰ্ণকৈ পঢ়া নাই। পঢ়াহ'লে পালেহেঁতেন, "I have declared again and again that if I say Aryas, I mean neither blood, nor bones, nor hair, nor skull" *(Max Muller, Biographies of Words and the Home of the Aryas, 1888, page-120)*। কাৰণ এই মন্তব্য কৰা ব্যক্তিজনেই আৰ্য জাতিৰ ধাৰণাটো সূত্ৰবদ্ধ কৰিছিল। পাছত প্ৰত্নতাত্ত্বিক, নৃতাত্ত্বিক বা DNAৰ তথ্য দিব নোৱাৰি আৰ্যৰ তেজ, হাড়, চুলি, লাওখোলা নাই বুলি কৈ আত্মৰক্ষা কৰিছিল।

ড° গোস্বামীয়ে অভিযোগ কৰিছে, কিতাপখনত "৩১০২ খ্ৰিষ্টপূৰ্বৰ ফেব্ৰুৱাৰি মাহৰ ১৮ তাৰিখে মাজনিশা কুৰুক্ষেত্ৰ যুদ্ধ হৈছিল" বুলি লিখিছোঁ। প্ৰকৃততে অভিযোগটো ভিত্তিহীন। চাব পাৰে, কিতাপখনত মহাভাৰতৰ একাধিক সময়ৰ কথা বিশ্লেষণ কৰা আছে।

"আনহাতে বৰ্মন বংশ, শালস্তম্ভ, পালবংশৰ (চতুৰ্থ-দ্বাদশ শতিকা) তামৰ ফলিত ব্যৱহাৰ কৰা ভাষাটো সংস্কৃত" বুলি কোৱা ড° গোস্বামীক জনাব খোজোঁ, অশোকেই হওক বা সমুদ্ৰগুপ্তই হওক কোনেও প্ৰাচীন অসমক নিজৰ অধীনলৈ নিব পৰা নাছিল। তেওঁলোকৰ সম্ৰাজ্যৰ মানচিত্ৰই তাৰ সাক্ষী। ইয়াৰ পৰা বুজা যায়, প্ৰাচীন অসম প্ৰাচীন কালৰ পৰাই কাৰোৱে দখলত নাছিল। ইয়াৰ ভাষা আৰু লিপি সেয়ে স্বাধীনভাৱে বিকশিত হৈছিল। সংস্কৃত ভাষা কোৱা আৰ্যটোৱেই কাল্পনিক। খ্ৰিষ্টপূৰ্ব চতুৰ্থ শতিকাৰ পাণিনিৰ মতে আৰ্য শব্দটো বিশেষণ। ঋগবেদত আৰ্য শব্দটো বিশেষণৰূপে ৩৬ বাৰ উল্লেখ আছে।

ড° গোস্বামীৰ জ্ঞাতাৰ্থে জনাব খুজিছোঁ, ৰাখিগড়ীত উদ্ধাৰ হোৱা ৪৫০০ বছৰ পুৰণি নৰ-কংকালৰ অধ্যয়নৰ ভিত্তিত, ডেক্কান কলেজ অব আৰ্কিঅ'লজিৰ প্ৰফেছাৰ বসন্ত সিন্দে আৰু ডি এন এ বিজ্ঞানী ড° নিৰজ ৰায়ে তেওঁলোকৰ অধ্যয়নত কৈছে—"আৰ্য ভাৰতীয় উপমহাদ্বীপ কে থে।" প্ৰফেছাৰ সিন্দেই এইটোও কৈছে—"আৰ্য ইনভেজন ঔৰ বৈদিক কাল কী থিয়ৰি বদলনী পৰেগী"। ড° ৰায়ে আৰু কৈছে—"আৰ্য়ন শব্দ গলত হায়।" Deccan Heraldত, ০৭-০৯-২০১৯ত, প্ৰফেছাৰ সিন্দে আৰু ড° ৰায়ে কৈছে—"Our study debunked the Aryan Invasion Theory" এতিয়া "সৰু সৰু দলত ভাগ হৈ তেওঁলোক (আৰ্যজাতিৰ মানুহ) ভাৰতবৰ্ষত প্ৰৱেশ কৰে" বুলি কৈ ড° গোস্বামীয়ে চৰ্বিত-চৰ্বণক প্ৰাধান্য দিছে; প্ৰত্নতত্ত্ব আৰু জেনেটিক অধ্যয়নক উপেক্ষা কৰি সত্য সন্ধানৰ বিজ্ঞানসন্মত গৱেষণাৰ ভেটি নষ্ট কৰিছে।

ড° গোস্বামীয়ে M. N. Williams-এ কোৱা আৰ্য শব্দটোৰ ১২টা অৰ্থৰ মাজৰ এটাৰ ভিত্তিত আৰ্যক বিশেষ্য বুলি কোৱা ধাৰণাটো আওপুৰণি। ড° ডেভিড ফ্ৰাউলিয়ে দেখুৱাই থৈ যোৱা পথেৰে প্ৰফেছাৰ সিন্দে আৰু DNA বিজ্ঞানী ড° ৰায়ৰ অধ্যয়নে পুনৰ প্ৰমাণ কৰিলে যে আৰ্য পদটো বিশেষ্য নহয়, বিশেষণ। প্ৰত্নতাত্ত্বিক, নৃতাত্ত্বিক আৰু জেনেটিক বুনিয়াদ নথকা কল্পিত আৰ্যজাতিৰ ভাষাৰ পৰা "উত্তৰ ভাৰতৰ বিন্ধ্য পৰ্বতলৈকে" ভাষাৰ মানচিত্ৰখন গঢ় লৈছিল বুলিবলৈ কোনো কাৰণত গ্ৰহণ কৰাৰ কথা নাহে।

পুনশ্চ, ড° গোস্বামীৰ বাবে মই উল্লেখ কৰা গ্ৰন্থসমূহ পঢ়াটো সম্ভৱ নহ'বও পাৰে, সেয়ে থাউকতে পঢ়ি ল'ব পৰা এটা উদ্ধৃতি তেখেতৰ জ্ঞাতাৰ্থে দাঙি ধৰিছোঁ। উদ্ধৃতিটো হ'ল ড° নগেন ঠাকুৰদেৱৰ "পালি প্ৰকৃত আৰু অপভ্ৰংশ ভাষা আৰু সাহিত্য"ৰ ১৭ নম্বৰ পৃষ্ঠাৰ। শ্ৰীঠাকুৰে কৈছে—"সংস্কৃত